**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-SEP-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

———————————————

আদৰৰ শিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে ৰাজ্য চৰকাৰে গঠন কৰা বিশেষ অনুসন্ধানকাৰী গোট চমুকৈ এছ্ আই টিৰ কিছু সালসলনি কৰা হৈছে। দহজনীয়া এছ্ আই টিৰ পৰা পৰিমিতা সৰকাৰৰ নাম আঁতৰোৱা হৈছে। কালি এছ্ আই টি গঠনৰ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে কয়, যে অসম আৰক্ষীয়ে কণ্ঠশিল্পীৰ মৃত্যুৰ তদন্তৰ কাম ত্বৰান্বিত গতিৰে কৰি আছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কালি সন্ধিয়া অসম আৰক্ষীৰ শীৰ্ষ বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হৈ ১০ জনীয়া বিশেষ অনুসন্ধানকাৰী গোট গঠন কৰে। এই গোটৰ নেতৃত্বত আছে এম পি গুপ্তা আছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। শিল্পীগৰাকীৰ মৃত্যুৰ সৈতে জড়িত কোনো লোককে ৰেহাই দিয়া নহ'ব বুলিও মুখ্যমন্ত্ৰী ড° শৰ্মাই উল্লেখ কৰে।

কেন্দ্ৰীয় বিদেশ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ উচিত তদন্তৰ দাবী কৰে।

**বাইট**

oooooo

সেৱা সপ্তাহৰ অংশ হিচাপে যক্ষ্মা ৰোগ নিৰ্মূলকৰণ অভিযানৰ অংশ হিচাপে কালি ৰাজ্যৰ বিভিন্ন জিলাত নিক্ষয় শিবিৰৰ আয়োজন কৰা হয়। পশ্চিম কাৰ্বি আংলং জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত কালি জিলাখনৰ বৈথালাংছ' খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, বৰপক আয়ুষ্মান আৰোগ্য মন্দিৰ আৰু ডংকামকাম খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত এই শিবিৰৰ আয়োজন কৰা হয়। এই শিবিৰত যক্ষ্মা ৰোগ নাইবা তেওঁলোকৰ আত্মীয়ৰ মাজত নিক্ষয় সামগ্ৰী বিতৰণ কৰা হয়। এই সামগ্ৰীসমূহৰ ভিতৰত চাউল, ছয়াবিন, মিঠাতেল, দাইল আৰু অন্যান্য পুষ্টিকৰ খাদ্য আছে। সেৱা সপ্তাহৰ অংশ হিচাপে  জিলাখনৰ প্ৰতিটো বিধানসভা সমষ্টিত স্বাস্থ্য মেলাৰো আয়োজন কৰা হৈছে।

ধেমাজি জিলাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ যক্ষ্মা মুক্ত ভাৰত অভিযানৰ অধীনত কালি যক্ষ্মা ৰোগীসকলৰ মাজত খাদ্য সামগ্ৰী বিতৰণ কৰা হয়। চিলাপথাৰত আয়োজিত কাৰ্যসূচীত লখিমপুৰৰ সাংসদ প্ৰদান বৰুৱাই খাদ্য সামগ্ৰী বিতৰণ কৰে। চিলাপথাৰ আদৰ্শ চিকিৎসালয়ত চিচিবৰগাঁও বিধানসভা সমষ্টিৰ ৰোগীসকলৰ মাজত এই খাদ্য সামগ্ৰী বিতৰণ কৰা হয়।

oooooo

সেৱা সপ্তাহৰ লগত সংগতি ৰাখি তিনিচুকীয়া জিলাত সমষ্টিভিত্তিক বৃহৎ স্বাস্থ্যমেলাৰ প্ৰথমটো শিবিৰ কালি ডুমডুমাৰ ৰূপাইত অনুষ্ঠিত হয়। ৰূপাই উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত শিবিৰত শ্ৰম, চাহ শ্ৰমিক আৰু আদিবাসী কল্যাণ বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালাই অংশগ্ৰহণ কৰে। এই শিবিৰৰ দ্বাৰা জনসাধাৰণ বহু উপকৃত হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। অনুষ্ঠানত লখিমপুৰ লোকসভা সমষ্টিটোৰ সাংসদ প্ৰদান বৰুৱাইও অংশগ্ৰহণ কৰে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত নতুন ভাৰত নিৰ্মাণৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। তেওঁ স্বদেশী সামগ্ৰী ব্যৱহাৰৰ বাবে জনসাধাৰণক আহ্বান জনায়। এই শিবিৰত ১৮ বছৰ অনুৰ্ধ্বৰ লোকৰ বাবে ৫৯ বিধ ৰোগৰ সকলো ধৰণৰ পৰীক্ষা-নিৰীক্ষা, বিশেষজ্ঞ চিকিৎসকৰ পৰামৰ্শ আৰু দৰৱ উপলব্ধ হ'ব।  আনহাতে, প্ৰয়োজন সাপেক্ষে উন্নত চিকিৎসাৰ বাবে আন হাস্পতাললৈ প্ৰেৰণ কৰাৰো ব্যৱস্থা কৰা হ'ব। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব। এই স্বাস্থ্য শিবিৰতেই বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ পৰীক্ষা কৰাৰ লগতে প্ৰমাণপত্ৰ

প্ৰদানৰো ব্যৱস্থা কৰা হৈছে। এই শিবিৰত দুহেজাৰ ১৯৯ গৰাকী ৰোগীয়ে অংশগ্ৰহণ কৰে। ইয়াৰে ২৭১ গৰাকী উন্নত চিকিৎসাৰ বাবে আন হাস্পতাললৈ প্ৰেৰণ কৰা হয়।

০০০০০০

দুৰ্গা পূজা সুকলমে আৰু শান্তিপূৰ্ণভাৱে উদ্‌যাপন কৰিবলৈ শোণিতপুৰ জিলা প্ৰশাসনে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। জনতাৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ নিয়ন্ত্ৰণ কক্ষৰ নম্বৰ ৯৪৩৫৩ ৭১৬৭২ আৰু আৰক্ষীৰ নম্বৰ ৭০৮৬৯ ৯৩৮৯৮ মুকলি কৰা হৈছে। জিলা আয়ুক্ত আনন্দ কুমাৰ দাসে পূজা সমিতিসমূহক আৰু সৰ্বসাধাৰণ ৰাইজক নিৰ্ধাৰিত নীতি নিৰ্দেশনা পালন কৰি প্ৰশাসনক পূৰ্ণ সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছে।

০০০০০০

মৰাণ জনগোষ্ঠীক জনজাতিকৰণ আৰু ষষ্ঠ অনুসূচীভুক্ত স্বায়ত্ত শাসন প্ৰদানৰ দাবীত কৰা অৰ্থনৈতিক অৱৰোধ অব্যাহত আছে। সদৌ মৰাণ ছাত্ৰ সন্থা আৰু মৰাণ জনগোষ্ঠীৰ অন্যান্য জাতীয় সংগঠনসমূহে নেতৃত্ব দিয়া এই অৱৰোধে দশম দিন অতিক্ৰম কৰে। অৱশ্যে শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ পাছত আবদ্ধ হৈ থকা সহস্ৰাধিক মালবাহী বাহনক প্ৰতিবাদকাৰীসকলে মুকলি কৰি দিয়ে। একেদৰে মাকুম জংছনৰ অৱৰোধ কাৰ্যসূচীও কিছু পৰিমাণে শিথিল কৰি সেই ঠাইতে জনগোষ্ঠীটোৰ মাংগলিক নীতি-নিয়ম আৰু ভকতীয়া গায়ন-বায়নেৰে প্ৰিয় শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। আজি জনগোষ্ঠীটোৰ শীৰ্ষ নেতৃত্বৰ সৈতে মুখ্যমন্ত্ৰীৰ উপস্থিতিত এখন বৈঠকৰ আহ্বান কৰা বুলি জানিব পৰা গৈছে।

০০০০০০

সমাপ্ত